জাতিৰ সেৱাত উৎসৰ্গিত (৬১) বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত

https://dainikasam.in

। ২০২ সংখ্যা, ১৫ ফাগুন, শনিবাৰ, ১৯৪৭ শক। DAINIK ASAM : Assamese Daily। VOL. 61 NO. 202। DIBRUGARH, SATURDAY, FEBRUARY 28, 2026 । পৃষ্ঠা ১

## ত সাহিত্য উৎসৱ

### াপ-চিত্ৰাংকন প্ৰতিযোগিতা

িয়া মহাবিদ্যালয়ৰ
বাবে? একবিংশ
াৰু ভিনটেজ হাব
নুষ্ঠানটিত যোৰহাট
অভিনিৱেশ শৰ্মাই
হণ কৰে। কবিতা
দীপ্তি দত্ত কলিতা,
াইলুং, মানসী গগৈ,
কে, ভৈৰৱ গোহাঁই,
ানীপ্ৰসাদ দুংগানা,
হাজং আৰু ববিতা
ৃত্তি কৰে নিমিষা
দুৱৰা দিহিঙীয়াই।
ৰ্ণ লেখক-পাঠকৰ
নত বিশিষ্ট লেখক
পাংকৰ মল্ল বৰুৱা,
ীয়া, বৈদুৰ্য বৰুৱাই
খ সম্পৰ্কত বক্তব্য
লগত সংগতি ৰাখি
শদিয়া লিটাৰেচাৰ
ৱতাৰ এখনি কাব্য
ত্তৰগৰাকী প্ৰতিষ্ঠিত
কী অনুজ কবিৰ
পৃষ্ঠাৰ 'জীয়া নৈ'ৰ

মুখ্য সম্পাদক বিশিষ্ট কবি বিপুলজ্যোতি শইকীয়া, সম্পাদক বিকিয়ান বাইলুং, মাইনু গগৈ আৰু ঋতুপৰ্ণা বুঢ়াগোহাঁই। 'চিনেমা আৰু সাহিত্যৰ আন্ত-সম্পৰ্ক ঃ প্ৰসংগ অসমীয়া চিনেমা' বিষয়ত এক আন্তৰিক কথোপকথনত অতিথি হিচাপে চিনেমা নিৰ্মাতা জয়চেং দহোটীয়াই অংশ লয়। উপস্থিতসকলক কৃতজ্ঞতা জ্ঞাপন কৰে সমন্বয়ক তথা শদিয়া ইক' কেম্পৰ স্বত্বাধিকাৰী প্ৰাঞ্জল প্ৰতিম দত্তই। সন্ধিয়ালৈ জয়চেং দহোটীয়াৰ পৰিচালনাত নিৰ্মিত 'বাঘজান' চিনেমাখন প্ৰদৰ্শন কৰা হয়। অন্তিম কাৰ্যসূচী গীতৰ এসন্ধ্যাত গীত পৰিৱেশন কৰে কুলদীপ বৰুৱাই। কেম্পৰ বাকৰিত পক্ষী পৰ্যৱেক্ষক ডঃ ৰঞ্জন কুমাৰ দাস আৰু ফটোগ্ৰাফাৰ ডাঃ ঋতুৰাজ ভূঞাৰ নিৰ্বাচিত ফটো প্ৰদৰ্শনীয়ে সাহিত্যানুৰাগীৰ দৃষ্টি আকৰ্ষণ কৰে। প্ৰকৃতি বিষয়ক দুটা শাখাত আয়োজিত চিত্ৰাংকন প্ৰতিযোগিতাৰ 'ক' শাখাত স্থান লাভ কৰে ক্ৰমে ৰিতিশা দাস (ছেইণ্ট থমাছ হাইস্কুল), নীলাঞ্জনা কেশৱ (ৰাজ কিডছ ফাউণ্ডেচন), ভাস্তি পাংগিঙে (শান্তিপুৰ এম ই স্কুল)। 'খ' শাখাত স্থান লাভ কৰে ক্ৰমে দুলাল সোণোৱাল (উজনি শদিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়), হিৰণ চিবিং (শংকৰদেৱ বিদ্যা নিকেটন, শদিয়া), চাজন ৰায়ে (শান্তিপুৰ এম ই স্কুল)।

# কানৈ মহাবিদ্যালয়ত আন্তঃৰাষ্ট্ৰীয় আলোচনাচক্ৰৰ উদ্বোধনী অনুষ্ঠান

দৈনিক অসমৰ প্ৰতিনিধি

**ডিব্ৰুগড়, ২৭ ফেব্ৰুৱাৰী ঃ** মানুহৰ ইতিবাচক চিন্তাই মানসিক স্বাস্থ্য সুস্থ আৰু সবল কৰি ৰখাত সহায় কৰে। নিজস্ববোধ আৰু সময়ক গুৰুত্ব প্ৰদান কৰিলেহে ইতিবাচক চিন্তাৰে মানুহে নিজকে আগুৱাই নিব পাৰিব। ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ নৃতত্ত্ব বিভাগৰ উদ্যোগত তথা মহাবিদ্যালয়খনৰ গৱেষণা আৰু উন্নয়ন কোষৰ সহযোগত, অনুষ্ঠিত দুদিনীয়া আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰখনৰ প্ৰথমদিনাৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি অসম চিকিৎসা মহাবিদ্যালয়ৰ অধীক্ষক ডাঃ ধ্ৰুৱজ্যোতি ভূঞাই কালি এইদৰে কয়। অধ্যাপক ডঃ ভাস্কৰ দাসে উদ্দেশ্য ব্যাখ্যা কৰা আলোচনাচক্ৰখনত ডাঃ ভূঞাই কয় ঃ এজন ব্যক্তিৰ বিকাশ তিনিটা মূল উপাদানৰ ওপৰত নিৰ্ভৰশীল— জিনগত উত্তৰাধিকাৰিতা, পৰিৱেশ আৰু সামাজিক প্ৰভাৱ। এই তিনিওটাৰ গতিশীলতা আৰু পাৰস্পৰিক ক্ৰিয়াৰ ফলতেই এজন পূৰ্ণাংগ মানৱ ব্যক্তিত্ব গঢ় লৈ উঠে। আলোচনাচক্ৰখনত আদৰণী ভাষণ দি মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই কয় ঃ উত্তৰ-পূব ভাৰতৰ জনজাতীয় সমাজত থকা প্ৰাকৃতিক ভেষজ চিকিৎসা আৰু জীৱনশৈলী কেৱল লোকবিশ্বাস নহয়। ইয়াক আধুনিক বিজ্ঞানৰ সৈতে সংলগ্ন কৰিব পাৰিলে সমগ্ৰ মানৱ সমাজৰ বাবে ই বহনক্ষম স্বাস্থ্যৰ আৰ্হি হ'ব পাৰে। কানৈ মহাবিদ্যালয়ৰ নৃতত্ত্ব বিভাগৰ প্ৰতিষ্ঠাপক মুৰব্বী ডঃ অৰুণ কুমাৰ দত্তৰ নামত উৎসৰ্গা কৰা আলোচনাচক্ৰখনত বীজ ভাষণ দি কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা বৰ্তমান আমেৰিকাৰ চিনচিনাটি বিশ্ববিদ্যালয়ৰ এমেৰিটাছ অধ্যাপক ডঃ ৰঞ্জন ডেকাই একালত মহাবিদ্যালয়ত নৃতত্ত্ব বিভাগত অধ্যয়ন কৰাৰ স্মৃতি ৰোমন্থন কৰাৰ লগতে বৰ্তমান মহাবিদ্যালয়খনৰ উন্নতিক ভূয়সী প্ৰশংসা কৰে। অধ্যাপিকা ডঃ সংক্ৰান্তি দেৱীয়ে আঁত ধৰা আন্তঃৰাষ্ট্ৰীয় আলোচনাচক্ৰখনৰ উদ্বোধনী ভাষণ দিয়ে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ প্ৰাধ্যাপক ডঃ লখিৰাম শইকীয়াই। আলোচনাচক্ৰখনৰ লগত সংগতি ৰাখি প্ৰস্তুত কৰি উলিওৱা আলোচনাচক্ৰৰ 'সাৰাংশ পুথি' উন্মোচন কৰে কানৈ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সদস্য তথা বিশিষ্ট সমাজকৰ্মী জ্যোতিপ্ৰসাদ কানৈয়ে। নৃতত্ত্ববিদ ডঃ ফৰিদা আহমেদ দাস, ডঃ সাৰ্থক সেনগুপ্তা আৰু ডঃ দীপাঞ্জনা দত্ত দাসে অংশগ্ৰহণ কৰা আলোচনাচক্ৰৰ প্ৰথমখন আলোচনা সত্ৰত ক্ৰমে এমেৰিটাছ অধ্যাপক ডঃ ৰঞ্জন ডেকা আৰু কলিকতা বিশ্ববিদ্যালয়ৰ অধ্যাপক ডঃ অৰূপ ৰতন বন্দোপাধ্যায়ে নিৰ্দ্ধাৰিত বিষয়ত গৱেষণা পত্ৰ পাঠ কৰে। উদ্বোধনী অনুষ্ঠানত নৃতত্ত্ববিদ ডঃ কল্যাণ বৰুৱা, মনোহাৰীদেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ অনুপজ্যোতি ভৰালী, মহাবিদ্যালয়ৰ উপাধ্যক্ষ ডঃ পাৰ্থ গাংগুলীকে ধৰি ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী আৰু গৱেষকে অংশগ্ৰহণ কৰে।

## বোকাখাতত বাছতে ৰেষ্টুৰেণ্ট মুকলি

দৈনিক অসমৰ প্ৰতিনিধি

**বোকাখাত, ২৭ ফেব্ৰুৱাৰী ঃ** বোকাখাতৰ অসম ৰাজ্যিক পৰিবহন নিগমৰ আস্থান প্ৰাংগনত

